**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 22-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**
**::::::::::::::::::**

০০০০০

১। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে স্বাস্থ্যজনিত কাৰণত কালি পদত্যাগ কৰিছে।

২। বহনক্ষম নিয়োগ ব্যৱস্থা আৰু ঘৰুৱা আয় উন্নত কৰাৰ লক্ষ্যৰে চৰকাৰে মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণত সফল হৈছে বুলি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে প্ৰকাশ কৰিছে।

৩। কেইবাদিন ধৰি হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত নাগালেণ্ডৰ বিভিন্ন অঞ্চলত হোৱা ভূমিস্খলনে জনজীৱন বিপৰ্যস্ত কৰিছে।

৪। এণ্ডাৰছন-টেণ্ডুলকাৰ ট্ৰফীৰ চতুৰ্থ টেষ্টৰ প্ৰাকক্ষণত আঘাতৰ সমস্যাত জৰ্জৰিত ভাৰত, নিতীশ কুমাৰ ৰেড্ডীৰ স্থানত অংশুল কম্বোজক দলত অন্তৰ্ভুক্ত। *আৰু*

৫। ছাফ ১৭ বছৰ অনুৰ্ধ ফুটবল চেম্পিয়নশ্বিপৰ সূচী ঘোষণা, পাকিস্তান-ভুটান-মালদ্বীপৰ সৈতে একেটা গ্ৰুপত ভাৰত।

০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে স্বাস্থ্যজনিত কাৰণত কালি পদত্যাগ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুলৈ প্ৰেৰণ কৰা এখন পত্ৰত শ্ৰীধনখড়ে উল্লেখ কৰে যে চিকিৎসকৰ পৰামৰ্শ অনুসৰি স্বাস্থ্যৰ যত্ন লোৱাৰ বাবে তেওঁ তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ উপ-ৰাষ্ট্ৰপতি পদৰ পৰা অব্যাহতি বিচাৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে তেওঁৰ কাৰ্যকালত আগবঢ়োৱা সহায়-সমৰ্থনৰ বাবেও শ্ৰীধনখড়ে কৃতজ্ঞতা জ্ঞাপন কৰে। শ্ৰীধনখড়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ প্ৰতিও তেওঁ কৃতজ্ঞতা জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সহযোগিতা আৰু সমৰ্থন অমূল্য বুলি অভিহিত কৰি তেওঁ কয়, যে শ্ৰীধনখড়ে তেওঁৰ কাৰ্যকালত যথেষ্ট অভিজ্ঞতা অৰ্জন কৰিছে। শ্ৰীধনখড়ে সংসদৰ সদস্যসকলৰ পৰা পোৱা সমৰ্থন, বিশ্বাস আৰু স্নেহ সহায় মনত ৰাখিব বুলিও উল্লেখ কৰে।

ভাৰতৰ দৰে বৃহৎ গণতন্ত্ৰৰ এখন দেশত উপ-ৰাষ্ট্ৰপতি হিচাপে লাভ কৰা অমূল্য অভিজ্ঞতাৰ বাবে শ্ৰীধনখড়ে সকলোৰে প্ৰতি গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লগতে কয়, যে ভাৰতৰ অৰ্থনৈতিক অগ্ৰগতি আৰু উন্নয়নৰ সাক্ষী হ'বলৈ পোৱাতো তেওঁৰ বাবে সন্তুষ্টিৰ কাৰণ।

০০০০০

সংসদৰ বৰ্ষাকালীন অধিবেশন ফলপ্ৰসূ হোৱাৰ লগতে ইয়াৰ আলোচনাসমূহে দেশৰ গণতন্ত্ৰ শক্তিশালী কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশা প্ৰকাশ কৰে। কালি আৰম্ভ হোৱা সংসদৰ বৰ্ষাকালীন অধিবেশনৰ আৰম্ভণিতে সংবাদ মাধ্যমৰ আগত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে সংসদৰ এই অধিবেশন আমাৰ সামূহিক প্ৰাপ্তি উদযাপনৰ গৌৰৱময় মুহূৰ্তত অনুষ্ঠিত হৈছে। অধিবেশনৰ কাৰ্যসূচীসমূহ সূচাৰুৰূপে চলাই নিয়াৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে সকলো দলৰ সাংসদসকলৰ সহযোগিতা কামনা কৰে।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয় যে ভাৰতৰ সেনা বাহিনীৰ শক্তি সন্দৰ্ভত সমগ্ৰ বিশ্ব অৱগত হৈছে। তেওঁ কয়, যে অপাৰেচন সিন্দূৰৰ সময়ত সন্ত্ৰাসবাদৰ মূল পৰিকল্পনাকাৰী আৰু সন্ত্ৰাসবাদীক আশ্ৰয় দিয়া গুপ্তস্থানসমূহ ধ্বংস কৰাৰ ক্ষেত্ৰত ভাৰতীয় সেনাই এশ শতাংশ সফলতা লাভ কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে দলীয় সীমাবদ্ধতাকো নেওচি ৰাষ্ট্ৰৰ স্বাৰ্থত প্ৰায় সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিয়ে বিশ্বৰ কেইবাখনো দেশ ভ্ৰমণ কৰি সন্ত্ৰাসবাদক উদগণি দিয়া পাকিস্তানৰ ভূমিকা সন্দৰ্ভত আন্তৰ্জাতিক মঞ্চত সফলভাৱে উপস্থাপন কৰিবলৈ সমৰ্থ হৈছে।

ooooo

বহনক্ষম নিয়োগ ব্যৱস্থা আৰু ঘৰুৱা আয় উন্নত কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰে মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণত সফলতা লাভ কৰিছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি লোকসভাত উত্থাপিত এটা প্ৰশ্নৰ লিখিত উত্তৰত এইদৰে কয়। তেওঁ কয়, যে চৰকাৰে অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ মজুতৰ পৰিমাণ বৃদ্ধিত গুৰুত্ব আৰোপ কৰাৰ লগতে মুকলি বজাৰত ক্ৰয় কৰা শস্যৰ কৌশলগত বিক্ৰী আৰু নিৰ্বাচিত খাদ্য-সামগ্ৰীৰ খুচুৰা বিক্ৰীৰ ক্ষেত্ৰত ৰাজ সাহায্য প্ৰদান কৰিছিল। শ্ৰীমতী সীতাৰমণে কয়, যে এই পদক্ষেপসমূহে ২০২৩-২৪ চনত মুদ্ৰাস্ফীতিৰ হাৰ ৫ দশমিক ৪ শতাংশৰ পৰা ২০২৪-২৫ চনত ৪ দশমিক ৬ শতাংশলৈ হ্ৰাস কৰিবলৈ সমৰ্থ হৈছে।

ooooo

বাংলাদেশত কালি সংঘটিত এটা বিমান দুৰ্ঘটনাত চালকক্কে ধৰি কমেও ২০ গৰাকী লোকৰ মৃত্যু আৰু ১৭১ গৰাকী আহত হয়। কালি সন্ধিয়া দেশখনৰ আন্তঃসেৱা জনসম্পৰ্কৰক্ষী বিষয়াই এই দুৰ্ঘটনাৰ কথা সদৰি কৰে। কালি দিনৰ প্ৰায় ১ বজাত বাংলাদেশ বায়ুসেনাৰ F-7 BGI প্ৰশিক্ষণ বিমানখনে দেশখনৰ ৰাজধানী ঢাকাৰ উত্তৰা অঞ্চলৰ মাইলষ্টন কলেজ চৌহদত দুৰ্ঘটনাত পতিত হয়।

বাংলাদেশৰ এই F-7 বিমানখন হৈছে চীনৰ চেংডু J-7ৰ আধুনিক সংস্কৰণ। ২০১৩ চনত চীনে বাংলাদেশক ১৬খন বিমান হস্তান্তৰ কৰাৰ পাছত ইয়াৰ উৎপাদন বন্ধ কৰি দিয়ে। কালিৰ দুৰ্ঘটনাৰ পাছতে বাংলাদেশ প্ৰশাসনে নিহতসকলৰ মৃতদেহ চিনাক্ত কৰাৰ লগতে আহতসকলক উপযুক্ত চিকিৎসাৰ বাবে সাহায্য অভিযান তীব্ৰ কৰি তোলে। বাংলাদেশ সেনা আৰু অগ্নিনিৰ্বাপক বাহিনীয়ে উদ্ধাৰ অভিযান চলাই থকাৰ সমান্তৰালকৈ দুৰ্ঘটনাত আহত লোকসকলৰ চিকিৎসাৰ বাবে ০১৯৪৯-০৪৩৬৯৭ হেল্পলাইন নম্বৰ মুকলি কৰিছে। উল্লেখযোগ্য যে এই দুৰ্ঘটনাত নিহত লোকসকলৰ বাবে বাংলাদেশ চৰকাৰে এদিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাংলাদেশৰ এই শোকাৱহ বিমান দুৰ্ঘটনাৰ বাবে গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে এই দুৰ্ঘটনাত নিহত লোকসকল বিশেষকৈ যুৱ শিক্ষাৰ্থীসকলৰ মৃত্যুৱে তেওঁক গভীৰভাৱে ব্যথিত কৰিছে। নিহত লোকসকলৰ পৰিয়ালৰ তেওঁ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহত লোকসকলৰ আশু-আৰোগ্য কামনা কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে এই শোকাৱহ দুৰ্ঘটনাৰ বাবে ভাৰতে বাংলাদেশৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰিছে আৰু সম্ভৱপৰ সকলো ধৰণৰ সহায়-সমৰ্থন আগবঢ়াবলৈ সাজু আছে।

ooooo

কেইবাদিন ধৰি হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত নাগালেণ্ডৰ বিভিন্ন অঞ্চলত ব্যাপক ভূমিস্খলন হৈছে। যোৱা দেওবাৰে ৰাজধানী কোহিমাৰ ফেচামাৰ পৰা কিছামা-কিগ্ৰেমা সংযোগী বিকল্প পথটোত হোৱা

ভূমিস্খলনৰ ফলত পথ যোগাযোগ ব্যৱস্থা বিচ্ছিন্ন হৈ পৰে। ক্ষতিগ্ৰস্ত পথছোৱাত মেৰামতিৰ কাম চলি আছে।

এই পথছোৱাৰে বিগত মাহত কিছামাৰ সমীপৰ দুই নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সম্পূৰ্ণৰূপে ধ্বংস হোৱাৰ পাছত এই পথটোৰে লঘু যান-বাহনৰ যাতায়াত সম্পন্ন হৈছিল। এই ক্ষতিগ্ৰস্ত ঘাইপথটোৰে আংক্ষিকভাৱে মেৰামতি কৰি কোহিমাক মণিপুৰৰ সৈতে সংযোগ কৰা হৈছে। মুখ্যমন্ত্ৰী নেফিউ ৰিঅ'ই উপ-মুখ্যমন্ত্ৰী টি আৰ জেলিয়াঙৰ সৈতে কালি ভূমিস্খলন প্ৰৱণ এলেকা পৰিদৰ্শন কৰে। তেওঁ কয়, যে ৰাজ্য চৰকাৰে জনসাধাৰণৰ বাবে পথ যাতায়াত ব্যৱস্থা স্বাভাৱিক কৰি তুলিবলৈ সকলোধৰণৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

ooooo

মিজোৰামৰ ডাম্পা বিধানসভা সমষ্টিৰ মিজো নেচনেল ফ্ৰণ্ট চমুকৈ এম এন এফৰ বিধায়ক লালৰিণ্টলুয়াংগা চাইলোৰ কালি দিল্লীৰ এখন চিকিৎসালয়ত ৬৫ বছৰ বয়সত দেহাৱসান ঘটে। পৰিয়ালৰ সূত্ৰই জনোৱা মতে মৃত বিধায়কগৰাকী স্ক্ৰাব টাইফচৰ লগতে অন্যান্য জটিল ৰোগত আক্ৰান্ত হৈছিল। তেওঁৰ মৃতদেহ আজি আইজললৈ পঠিওৱা হ'ব। ১৯৬০ চনত জন্মগ্ৰহণ কৰা চাইলোৱে পৰৱৰ্তী সময়ত এম এন এফত যোগদান কৰিছিল আৰু ১৯৬০ৰ পৰা ১৯৮৬ লৈ এম এন এফৰ বিচ্ছিন্নতাবাদী আন্দোলনৰ বাবে ২০ বছৰ কাল তেওঁ আত্মগোপন কৰি আছিল। তেওঁ ২০১৮ আৰু ২০২৩ চনত ডাম্পা সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। মিজোৰামৰ ৰাজ্যপাল বিজয় কুমাৰ সিং আৰু মুখ্যমন্ত্ৰী লালডুহমাই চাইলোৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

ooooo

অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰা ৮ জন বাংলাদেশী নাগৰিকক কালি পশ্চিমবংগ আৰক্ষীয়ে মুৰ্শিদাবাদ জিলাৰ পৰা গ্ৰেপ্তাৰ কৰে। লগতে, এই বাংলাদেশী নাগৰিককেইজনক দেশত প্ৰৱেশৰ সুবিধা প্ৰদান কৰাৰ অভিযোগত আন তিনিজন ব্যক্তিকো গ্ৰেপ্তাৰ কৰা হয়। লালবাগৰ অতিৰিক্ত অধীক্ষক ৰাছপ্ৰীত সিঙে প্ৰকাশ কৰা অনুসৰি, দুটা ভিন্ন স্থানৰ পৰা লোককেইজনক গ্ৰেপ্তাৰ কৰা হৈছে। ধৃত বাংলাদেশীকেইজন জামাত-উল-মুজাহিদীন বাংলাদেশ, হিজব-উত-তাহৰিৰ আৰু আনছাৰুল্লাহ বাংলা টীমৰ দৰে বাংলাদেশী মৌলবাদী গোটৰ ঘাটি হিচাপে পৰিচিত বাংলাদেশৰ চাপাই নবাবগঞ্জ আৰু ৰাজশাহীৰ বুলি জানিব পৰা গৈছে। চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত মুৰ্শিদাবাদৰ লালগোলা আৰক্ষীৰ দলে জামিৰুল শ্বেখ নামৰ লোকজনৰ বাসগৃহত অভিযান চলাই অবৈধভাৱে প্ৰৱেশ কৰা পাঁচজন বাংলাদেশী নাগৰিক আৰু ভাৰতৰ দুজন সহযোগীক গ্ৰেপ্তাৰ কৰে। একেখন জিলাৰে ৰাণীনগৰত চলা আন এটা অভিযানত তিনিজন বাংলাদেশী নাগৰিক আৰু এজন ভাৰতীয় সহযোগীক গ্ৰেপ্তাৰ কৰা হয়। সংশ্লিষ্ট বিভিন্ন ধাৰাৰ অধীনত তেওঁলোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে আৰু ধৃত আটাইকে শীঘ্ৰে আদালতত হাজিৰ কৰোৱাই সাতদিনৰ আৰক্ষীৰ জিম্মাত বিচৰা হ'ব বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

চলিত এণ্ডাৰছন-টেণ্ডুলকাৰ টেষ্ট শৃংখলাৰ চতুৰ্থখন খেলৰ প্ৰাকক্ষণত ভাৰতৰ কেইবাজনো খেলুৱৈৰ আঘাতে দলটোক সমস্যাত পেলাইছে।

অলৰাউণ্ডাৰ নীতিশ কুমাৰ ৰেড্ডীক আঁঠুৰ আঘাতৰ বাবে সম্পূৰ্ণ শৃংখলাৰ পৰা বাদ দিবলগীয়া হোৱাৰ উপৰি বেগী বলাৰ অৰ্শদীপ সিঙকো বাওহাতৰ বুঢ়া আঙুলিৰ আঘাতৰ বাবে চতুৰ্থ টেষ্টৰ পৰা জিৰণি দি অন্-শুল্ কম্বোজক দলত অন্তৰ্ভুক্ত কৰা হৈছে ।

ইপিনে, ইংলেণ্ডে মানচেষ্টাৰ টেষ্টৰ বাবে দল ঘোষণা কৰিছে। আঘাতৰ বাবে শৃংখলাৰ বাকীকেইখন খেলৰপৰা বঞ্চিত হ'বলগীয়া স্পীনাৰ শোৱেইব বশিৰৰ স্থানত লিয়াম ডছনক ৮ বছৰৰ মূৰত দলত অন্তৰ্ভুক্ত কৰা হৈছে । ২০১৭ চনত ডছনে শেষবাৰলৈ ইংলেণ্ড টেষ্ট দলৰ হৈ খেলিছিল।

উল্লেখযোগ্য যে, ইংলেণ্ড ২-১ ৰ ব্যৱধানত আগবাঢ়ি থকা শৃংখলাৰ পৰৱৰ্তী খেলখন কাইলৈ আৰম্ভ হ'ব।

০০০০০

ছাফ ১৭ বছৰ অনুৰ্ধ চেম্পিয়নশ্বিপ ২০২৫ ফুটবল প্ৰতিযোগিতাৰ খেলৰ সূচী প্ৰকাশ কৰা হৈছে। যোৱাবাৰৰ বিজয়ী ভাৰতক গ্ৰুপ বিত চিৰ প্ৰতিদ্বন্দ্বী পাকিস্তান তথা ভূটান আৰু মালদ্বীপৰ সৈতে স্থান দিয়া হৈছে । আনহাতে গ্ৰুপ এত ৰখা দলকেইটা হৈছে শ্ৰীলংকা, বাংলাদেশ আৰু নেপাল। প্ৰতিযোগিতাখন ১৫ ছেপ্টেম্বৰৰ পৰা ২৭ ছেপ্টেম্বৰলৈ শ্ৰীলংকাৰ কলম্বোত অনুষ্ঠিত হ’ব।

০০০০০

সমাপ্ত